Spoken English: Thirty Hours Workshop DainikAgradut, 7th May, 2023, p.9

# কথোপকথন- যোগাযোগৰ মাধ্যম হিচাপে ইংৰাজী ভাষা বিষয়ক ৩০ ঘণ্টীয়া কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৬ মে' ঃ** গোৱালপাৰা জিলাৰ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত অনুষ্ঠিত 'কথোপকথন আৰু যোগাযোগৰ মাধ্যম হিচাপে ইংৰাজী ভাষা' বিষয়ক শীৰ্ষক ৩০ ঘণ্টীয়া কৰ্মশালাখনৰ যোৱা চাৰি মে'ত সফল সামৰণি পৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই এক বিবৃতিযোগে জনোৱা মতে উক্ত কৰ্মশালাখনত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ১৮ এপ্ৰিলৰ আৰম্ভণি অনুষ্ঠানত সোণাপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° মৃদুস্মিতা মহন্তই প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে ১৯ এপ্ৰিলত গুৱাহাটী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা গুঞ্জনা দে আৰু ২৫ এপ্ৰিলত গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী তথা সহকাৰী অধ্যাপক, ড° অনুপ কুমাৰ ডেকাই প্ৰশিক্ষণ প্ৰদান কৰে। চাৰি মে'ৰ সামৰণি অনুষ্ঠানত আঁত ধৰে মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সুদীপ্তা ফুকনে। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই প্ৰশিক্ষণত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° হৰিপ্ৰসাদ গৌতম আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° সুদীপ্তা ফুকনৰ লগতে বিভিন্ন বিভাগৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকে।